# মূখ্য ন্যায়িক দণ্ডাধীশৰ কায্যালয়, ধেমাজী

কৰ্মচাৰী বৈঠক তাং- ০৭/০৬/২০১৮

## কাৰ্য্যবিৱৰণী

আজি ইং ০৭/০৬/২০১৮ তাৰিখে কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠক মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয়। অতিৰিক্ত মূখ্য দণ্ডাধীশৰ দ্বাৰা উদ্দেশ্য ব্যাখ্যা কৰা বৈঠকখনিত বাকী ন্যায়িক দণ্ডাধীশসকলৰ লগতে কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে। ব্যাখ্যাত তেওঁ কয় যে, আজি বৈঠকখনি মহামান্য উচ্চ ন্যায়ালয়ৰ আদেশক্ৰমে কৰ্মচাৰীসকলৰ লগতে ন্যায়িক দণ্ডাধীশসকলৰ অসুবিধাসমূহৰ লগতে পৰামৰ্শ গ্ৰহণৰ বাবে অনুষ্ঠিত কৰা হৈছে।

মূখ্য ন্যায়িক দণ্ডাধীশৰ মন্তব্যত অৱসৰ গ্ৰহণ কৰিব লগীয়া কৰ্মচাৰী সকলৰ অভিজ্ঞতাসমূহ গ্ৰহণ কৰাৰ লগতে তেওঁলোকে বৰ্তমান কৰি থকা কামৰ দ্বায়িত্বৰ ভাগ বতৰাৰ বিষয়ে আলোচনা কৰে।

মূখ্য সহায়কৰ বক্তব্যত বৰ্তমান কাৰ্য্যালয়ৰ কৰ্মচাৰীৰ পৰিমাণ পূৰ্ণ হৈ থকাৰ বাবে কাৰ্য্যালয়ৰ কাম কাজত অসুবিধা হোৱা নাই বুলি উল্লেখ কৰে। কিন্তু এইবৰ্ষতে তিনিজনকৈ কৰ্মচাৰী অৱসৰ গ্ৰহণ কৰিলে যদি শ্ৰী চন্দ্ৰ শইকীয়াক **GR Branch** ৰ দ্বায়িত্ব প্ৰদান কৰা হয় তেতিয়া নতুনকৈ দুজনক **Bench Assistant** হিচাপে কাম শিকাব লাগিব বুলি পৰামৰ্শ আগবঢ়াই। লগতে তেওঁ উল্লেখ কৰে যে **Computer Typist** সকলেও সকলো কাম কৰিব জানে আৰু জানিব লাগিব। তেওঁ লগতে আগৰ দণ্ডাধীশসকলৰ পৰামৰ্শ আৰু সহায় সহযোগিতাৰ কথা দোহাৰে। তেওঁ নিজৰ কৰ্মজিৱনৰ অভিজ্ঞতা উল্লেখ কৰাৰ লগতে মাজে সময়ে কৰ্মচাৰী সকলৰ কামৰ ৰদ-বদলৰ পৰামৰ্শ প্ৰদান কৰে।

শ্ৰী লংবিৰাম চেনাৰৰ নতুনকৈ নিযুক্ত কৰ্মচাৰীসকলৰ **Training** ৰ কথা উল্লেখ কৰোতে বৰ্তমানৰ কামসমূহ ভালকৈ শিকিবলৈ মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে পৰামৰ্শ প্ৰদান কৰে। লগতে লোক-আদালতৰ চমন **Bench Assistant** ৰ উপৰিও আন কৰ্মচাৰীসকলকো লিখিবলৈ দ্বায়িত্ব দিয়াৰ কথা উল্লেখ কৰে।

**Judgment upload** আৰু **long pending case** ৰ ওপৰত হোৱা আলোচনাত অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশৰ দ্বাৰা বিস্তৰ বিৱৰণ আবু পৰামৰ্শ প্ৰদান কৰে।

ইয়াৰ উপৰিও কাৰ্য্যালয়ত ব্যৱহৃত সামগ্ৰীসমূহ সঠিককৈ লাভ কৰিছে নাই আৰু পৰ্য্যাপ্তিৰ ওপৰত আলোচনা হয়।

মূখ্য ন্যায়িক দণ্ডাধীশ

( ৰুপক ৰজক)

অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ
( অনুপ খানাল )

১ম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশ
(নাজৰানা পাৰবিন ৰেহমান)

১ম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশ
(মনিকা মিচং)

উপস্থিত ন্যায়িক কৰ্মচাৰীসকলৰ চহী-

| ক্ৰমিক নং | কৰ্মচাৰী সকলৰ নাম | চহী |
|---|---|---|
| ১ | শ্ৰী গমেশ্বৰ সোনোৱাল | |
| ২ | শ্ৰী হাইদৰ হুচেইন | |
| ৩ | শ্ৰী বিদ্যা বৰশইকীয়া | |
| ৪ | শ্ৰী দীপেন দত্ত | |
| ৫ | শ্ৰী টংকেশ্বৰ দত্ত | |
| ৬ | শ্ৰী সুৰজ কুমাৰ গুৰুং | |
| ৭ | শ্ৰী সুবোধ কুমাৰ | |
| ৮ | শ্ৰী লক্ষীনাথ শইকীয়া | |
| ৯ | শ্ৰী বাবুল বৰা | |
| ১০ | শ্ৰী চন্দ্ৰ শইকীয়া | |